**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

আজি ভোগালী বিহুৰ উৰুকা। এই উপলক্ষে আজি পুৱাৰে পৰা অন্যান্য প্ৰান্তৰ লগতে উজনি অসমতো ভোগালীৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হৈছে। বিশেষকৈ মাছ-মাংসৰ বজাৰত গ্ৰাহকৰ ভিৰ দেখা গৈছে। ঘৰে ঘৰে পিঠা-পনা আৰু ভোগালীৰ জলপানৰ লগতে বিভিন্ন আত্মসহায়ক গোটে প্ৰস্তুত কৰা পিঠা-পনা, লাডু. চিৰা, খান্দহ আদিৰে ভোগালীৰ বজাৰ ভৰি পৰিছে। ইপিনে শিৱসাগৰ জিলাত টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত ৰংঘৰ বাকৰিত ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। ২০১১ বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে আয়োজন কৰা এই মেলাত বিভিন্ন জনগোষ্ঠীয় খাদ্য সম্ভাৰ পৰিৱেশন কৰা হৈছে। ১০ জানুৱাৰীৰ পৰা চলি থকা এই মেলাৰ মূল অনুষ্ঠান ১৫ জানুৱাৰী অৰ্থাৎ পহিলা মাঘত অনুষ্ঠিত হ'ব। ইফালে গোলাঘাট জিলাত বোকাখাত মহকুমা প্ৰশাসনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বিলসমূহত মাঘ বিহুৰ সময়ত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত অবৈধভাৱে মাছধৰা সকলক দণ্ড বিহা হ'ব বুলি বোকাখাত মহকুমা প্ৰশাসনে ঘোষণা কৰিছে। ০০০০

০০০০০০

ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউয়ে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰিছে। এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে নতুন দিল্লীত অনুষ্ঠিত বিশ্বৰ ঐতিহ্যক্ষেত্ৰৰ ৪৬ সংখ্যক বৈঠকত আহোম ৰাজত্বৰ ইতিহাস বিজড়িত চৰাইদেউৰ ঐতিহাসিক মৈদামসমূহক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া হৈছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ অহা দেশ-বিদেশৰ পৰ্যটকৰ অন্যতম আকৰ্ষণ কাজিৰঙা জাতিয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান মাঘবিহু উপলক্ষে কাইলৈ বন্ধ থাকিব বুলি কাজিৰঙা জাতিয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান পৰিচালনা সমবায় সমিতিৰ সদস্য সচিব ৰতন ডাৱে জানিবলৈ দিয়ে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে বুলি কালি প্ৰকাশ কৰে। সমাগত গণৰাজ্য দিৱসত মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত পতাকা উত্তোলন কৰিব বুলিও কালি সদৰি কৰে। চলিত বছৰটো কিতাপৰ বৰ্ষৰূপে পালনৰ কথা উল্লেখ কৰি তেওঁ এইক্ষেত্ৰত জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰে। ৰাজ্যৰ সকলো সমস্যা সমাধান কৰিবলৈ চৰকাৰে প্ৰয়াস চলাই আছে বুলি তেওঁ প্ৰকাশ

কৰে। তেওঁ কয়, যে আপোন ঘৰ আঁচনিত কৰ্মচাৰীৰ ঋণৰ পৰিমাণ ১৫ লাখৰ পৰা ৩০ লাখলৈ বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয়, যে চৰকাৰী চিকিৎসালয়ত কৰ্মচাৰীসকলৰ চিকিৎসাৰ ব্যয় নগদবিহীন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে ভোগালী বিহুৰ আনন্দৰ নামত সুৰাপান কৰি অত্যধিক গতিত বাহন চলাই কোনেও যাতে অনাকাংক্ষিত বিপদ মাতি আনিব নোৱাৰে তাৰ বাবে সকলো বাহন চালকলৈ আহ্বান জনাইছে । উৰুকাৰ নিশা সকলোকে পথৰ সুৰক্ষাৰ বাবে মানি চলিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত সজাগ কৰাৰ উদ্দেশ্যে কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় আৰু জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত এখন জনসচেতনতা অনুষ্ঠানৰ আয়োজন কৰা হয় । পৰিবহণ বিভাগৰ বিষয়াগৰাকীয়ে কয় যে অসমীয়া সমাজ জীৱনৰ ঐক্য-সংহতিৰ বাহক জাতীয় উৎসৱ বিহুত সকলো একতাৰ ডোলেৰে বান্ধ খাওঁ । এই সময়ত ৰাজপথত চলাচল কৰোতে কোনোৱে যাতে যান-বাহন আইন উলংঘা কৰি কাৰো ভোগালীৰ আনন্দ-উলাহ ম্লান নেপেলাই, তাৰ বাবে সকলোকে পথ সুৰক্ষা বজাই ৰাখিবলৈ বিষয়াগৰাকীয়ে আহ্বান জনায় । অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহ কাৰ্যসূচীৰ অংশহিচাপে সকলো শ্ৰেণীৰ ৰাইজৰ প্ৰতি পৰিৱহণ বিভাগে এই আহ্বান জনায় । নিশা কুঁৱলীয়ে আবৃত পৰিৱেশত সকলোৱে অতি সাৱধানে চলাচল কৰাৰ লগতে দুচকীয়া বাহনত চালক- আৰোহী উভয়কে হেলমেট , চাৰিচকীয়া বাহনত ছীটবেল্ট ব্যৱহাৰ কৰাৰ লগতে কোনেও যাতে মোবাইলত কথা পাতি গাড়ী নচলায় তাৰ বাবে পৰিবহণৰ বিশেষ কৰ্তব্যৰত বিষয়াগৰাকীয়ে সকলোকে সতৰ্ক কৰি দিয়ে।

০০০০০০০

শোণিতপুৰৰ বেচেৰীয়াৰ লোকবাদ্য নিৰ্মাতা বাদক তথা গায়ক মৃদুল কুমাৰ দাসলৈ চলিত বৰ্ষৰ বকুলবন বঁটা আগবঢ়োৱা হৈছে। যোৰহাটৰ বকুলবন ন্যাস, অসমৰ সভাপতি ড° সৌমিত্ৰ পূজাৰীয়ে এই বঁটা ঘোষণা কৰি কয়, যে ওৰেটো জীৱন লোক কলা-সংস্কৃতিৰ সাধনাত উৎসৰ্গা কৰি গায়ন বাদনৰ লগতে বাদ্যযন্ত্ৰ নিৰ্মাণ কৰা শ্ৰী দাসলৈ তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতি হিচাপে এই বঁটা আগবঢ়োৱা হৈছে। অহা ২৭ জানুৱাৰীত বকুলবনৰ কবি পদ্মশ্ৰী সন্মানপ্ৰাপ্ত আনন্দ চন্দ্ৰ বৰুৱাৰ জন্মদিৱস উপলক্ষে উদযাপিত বকুলবন দিৱসত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

লখিমপুৰৰ বিশিষ্ট সমাজকৰ্মী ৰাজেশ মালপানীৰ কালি সন্ধিয়া কলকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৫ বছৰ।

০০০০০০০

**সমাপ্ত**